অধ্যায় ১২ ঃ অসমৰ কাৰু কলা আৰু সাম্প্ৰতিক সময়ত তাৰ স্থিতি

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 অসমৰ কাৰু কলাৰ বিবিধ দিশ

12.3.1 সাম্প্ৰতিক সময়ত তাৰ স্থিতি আৰু প্ৰত্যাহ্বান

12.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.5 অধিক জানিবলৈ

12.6 অগ্ৰগতিৰ খতিয়ান

12.7 আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কাৰু কলা বুলিলে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- অসমৰ কাৰু কলা সম্পৰ্কে এটি ধাৰণা লাভ কৰিব
- অসমীয়া কাৰু কলাৰ সাম্প্ৰতিক সময়ত স্থিতি আৰু এই ক্ষেত্ৰত অহা বিভিন্ন প্ৰত্যাহ্বান সম্পৰ্কে জানিব পাৰিব

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি পৰিৱেশ্য কলা বুলিলে কি বুজে সেইবিষয়ে অধ্যয়ন কৰাৰ লগতে আধুনিক পৰিৱেশ্য কলাত, মূলতঃ নাটকত লোকউপাদানৰ প্ৰয়োগ কেনেদৰে কৰা হৈছে সেই বিষয়ে কিছু কথা অধ্যয়ন কৰিলে। এতিয়া এইটো অধ্যায়ত কাৰু কলা মানে কি সেই বিষয়ে বহলাই আধ্যয়ন কৰিব।

'কাৰু কলা' সম্পৰ্কে জনাৰ পূৰ্বে আমি 'কলা' মানে কি সেই বিষয়ে জনাৰ প্ৰয়োজনীয়তা আছে। ইংৰাজী 'Art' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'কলা' শব্দটো প্ৰয়োগ কৰা হয়। Art বা কলা সম্পৰ্কে এতিয়ালৈকে বিভিন্নজন কলাৰসিক, পণ্ডিতে তেওঁলোকৰ মত প্ৰকাশ কৰিছে। সাধাৰণভাৱে 'কলা' শব্দই শিল্পবিদ্যাক বুজাই। টলষ্টয়ে কৈ গৈছে — "Art is a human activity, consisting in this, that one man consciously, by means of certain external signs, hands on to others feelings he has lived through, and that other people are infected by these feelings, and also experience them." (Tolstoy, 1904, p. 50) সমালোচকসকলে কলাক — ললিত কলা বা চাৰু কলা (Fine art)

তেনেধৰণৰ ফুল কাটি দিয়া হয় তেন্তে সি কলালৈ ৰূপান্তৰ হয়। এক কথাত ক'ব পাৰি শিল্প আৰু কলাৰ মাজত অংগাংগী সম্বন্ধ আছে। প্ৰায়বোৰ শিল্পৰ মাজতে কলাৰ ধৰ্ম বা গুণ ৰক্ষিত হোৱা পৰিলক্ষিত হয়। আমি অসমীয়া কাৰু কলাৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে মূলতঃ লোককলা আৰু লোকশিল্পৰ বিষয়েই আলোচনাত প্ৰবৃত্ত হ'ব লাগিব।

লোকসমাজ সাধাৰণতে স্বভাৱ শিল্পীৰে ভৰপূৰ। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে ইয়াৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। অসমীয়া লোকসমাজো ইয়াৰ ব্যতিক্ৰম নহয়। কাৰু কলাই ব্যক্তি জীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে। আমি সকলোৱেই জানোঁ যে অসমীয়া সমাজৰ মূল গাঁথনিটো নিৰ্মাণ হৈছে মূলতঃ কৃষিজীৱ লোকক লৈয়েই। সেইবাবেই তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ লগত দূৰ অতীজৰে পৰা বিবিধ কাৰু কলাই এক বিশেষত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। তদুপৰি এনে শিল্পৰ বাবে অসমত সহজলভ্য কেঁচামাল আৰু তাৰ বাবে কম মূলধনৰ বিনিয়োগ কৰিবলগীয়া কথাটোৱেও ইয়াৰ বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰি অহিছে। অৱশ্যে মন কৰিবলগীয়া যে, দৃশ্যগত আচৰণৰ ওপৰত নিৰ্ভৰশীল এই কলাত পৰম্পৰাগত আৰু ব্যক্তিগত পৰিৱৰ্তনেও ক্ৰিয়া কৰি থাকে। অসমৰ বহু অঞ্চল একোটা বিশেষ বিশেষ লোকশিল্পৰ বাবে বিখ্যাত। এইবোৰে অসমৰ লোকশিল্পৰ কেইবাটাও দিশত আপুৰুগীয়া আৰু গৌৰৱময় আসন দখল কৰি আছে। অসমৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত এই ভাগকেইটা বহলাই আলোচনা কৰা হ'ব।

- **বনজাত শিল্প ঃ** আমি সকলোৱে জানোঁ যে বনজাত সামগ্ৰীৰ ক্ষেত্ৰত অসম এখন নন্দন কানন। অসমৰ হাবিত বিভিন্ন বনজাত সামগ্ৰী পোৱা যায় আৰু এইবোৰৰ পৰাই অসমত পৰম্পৰাগতভাৱে ভিন ভিন ব্যৱহাৰ্য বস্তুগত কলাৰ ঐতিহ্য গঢ় লৈ উঠিছে। বনজাত সামগ্ৰীবোৰৰ ভিতৰত বাঁহ, বেত, কাঠ, কুঁহিলা, হাতী দাঁত, গড়ৰ খড়্গ, ম'হ আৰু পহুৰ শিং, মাদুৰি, পাটি দৈ, মুঠাবন, তালপাত, টকৌপাত, মৰাপাট, ৰিহা, কুকুৰমুতা আদি গছৰ আঁহ আদিৰ পৰা অসমীয়া লোকশিল্পীয়ে বহু মূল্যবান নিত্য ব্যৱহাৰ্য তথা বিশেষ সকামত ব্যৱহাৰ্য সা-সামগ্ৰী নিৰ্মাণ কৰে।

  অসমৰ বনজাত ব্যৱহাৰ্য কলাৰ আটাইতকৈ উল্লেখযোগ্য কেঁচা সামগ্ৰী হৈছে বাঁহ। 'বাঁহ সংস্কৃতি' ৰূপে খ্যাত অসমীয়া সংস্কৃতিৰ কোঁহে কোঁহে সোমাই আছে বাঁহ, এক কথাত ক'ব পাৰি — বাঁহ অসমীয়া সংস্কৃতিৰ এটা প্ৰধান উপৰকণ। জন্মৰ পৰা মৃত্যুলৈকে অসমীয়া মানুহৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী হ'ল বাঁহ। অসমৰ বাঁহ শিল্পৰ প্ৰচলনৰ বুৰঞ্জীও বহু পুৰণি। প্ৰাচীন অসমীয়া কবিসকলৰ বিভিন্ন ৰচনাৰ লগতে বাণভট্টৰ *হৰ্ষচৰিতত* আমি পুৰণি অসমত যে অতীব সুন্দৰ বাঁহ শিল্পৰ প্ৰচলন আছিল সেই কথাৰ সন্ধেদ লাভ কৰোঁ। কামৰূপৰ ৰজা ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ ৰঙীণ বাঁহৰ চুঙা আৰু বাঁহেৰে সজা সঁজাত চৰাই ভৰাই তেওঁলৈ উপহাৰ হিচাপে পঠিওৱাৰ কথা এইখন গ্ৰন্থত উল্লেখ আছে। সুনীতি কুমাৰ চেটাৰ্জীৰ দৰে

সকলোৱে জানোঁ যে, শংকৰদেৱে আৰম্ভ কৰা ভক্তিধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সত্ৰ আৰু নামঘৰৰ প্ৰতিষ্ঠা হয়। এই দুয়োটা অনুষ্ঠানকে ধৰ্মীয় চৰ্চা তথা শিল্প চৰ্চাৰ কেন্দ্ৰ হিচাপে অভিহিত কৰিব পাৰি। গঞাঁলোকৰ ধৰ্মীয়-অনুষ্ঠানৰ লগতে উৎসৱাদিৰ পালনৰ কেন্দ্ৰস্থল হ'ল নামঘৰ, ইয়াত নাম কীৰ্তন কৰাৰ উপৰি গাঁৱৰ বাৰ্ষিক বৰসবাহ, ভাওনা, পালনাম আদি পতা হয়। ভাওনাত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী বাঁহ আৰু বেতেৰে নিৰ্মাণ কৰা হয়। উদাহৰণ হিচাপে আমি 'ছোঁ মুখা'ৰ কথা উল্লেখ কৰিব পাৰোঁ। সাধাৰণতে ভাওনাৰ মুখা নিৰ্মাণ কৰিবলৈও বাঁহেৰে সাঁচ এটি তৈয়াৰ কৰি তাৰ ওপৰত কাপোৰ দি গোৱৰ, মাটি আদিৰে লেপি দিয়া হয়। মুখা প্ৰধানতঃ তিনি প্ৰকাৰে তৈয়াৰ কৰা হয়। [1) তামোল গছ, বাঁহ গছ আদিৰ ঢকুৰাৰ [2) কাঠৰ আৰু [3) বাঁহৰ কাঠীৰ। তদুপৰি কোনো গছৰ ছাল বা বাকলি আদিৰ পৰাও তৈয়াৰ কৰা হয়। নীল, তেলী ছাই, চূণ, পূৰৈগুটিৰ ৰং আদিৰে এইবোৰ বোলোৱা আৰু অংকন কৰা হয়। এই সকলোবোৰ বনজাত সামগ্ৰী। ঠিক সেইদৰে ভাওনাত প্ৰয়োজন হোৱা ধনু, কাঁড়, তৰোৱাল, গদা, বিভিন্ন দেৱ-দেৱতা, ৰাক্ষস, কিন্নৰ, নাগ, বিভিন্ন জন্তু, যেনে— ঘোঁৰা, বাঘ, গৰু, বান্দৰ আদিৰ মুখা সঁজাৰ চৰ্চা নামঘৰৰ যোগেদি চলি আহিছে। ছোঁ মুখাৰ দৰে সাজ-সজ্জাও অংকীয়া ভাওনাৰ অন্যতম অংগ। সাজসজ্জাত ব্যৱহৃত মুকুট, কিৰীটি আদি গছৰ বাকলি, তুলাপাত নাইবা বাঁহৰ কাঠীৰে সাজি তাৰ ওপৰত কাপোৰ মেৰিয়াই তাত চুমকি, মণি, পটি আদি লগোৱা হয়। কপাহ, মৰাপাট আদিত ৰং কৰি চুলি-দাড়ি আদি তৈয়াৰ কৰি লোৱা হয়। আনহাতে বহু সত্ৰত বেতেৰে বিচনী নিৰ্মাণ কৰা হয়, এনে বেতৰ বিচনীৰ কাৰুকাৰ্য চালে চকুৰোৱা। প্ৰসংগক্ৰমে উল্লেখযোগ্য নামঘৰসমূহত গঞা ৰাইজে আজৰি সময়ত পুৰাণ, ভাগৱতাদি পাঠৰ শ্ৰৱণৰ মাজতো বাঁহ-বেত-মাদুৰি বনৰ ঢাৰি, কঠ, ফণি, কাকৈ, বেটৰ বটা, শৰাই, বাঁহ-বেতৰ বিচনী, ফুলাম জাপি, পাচি, খৰাহী, চালনী, কুলা, ডলা, উঘা, চেৰেকী আদি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ নিৰ্মাণ কৰে।

আনহাতে অসমীয়া বাঢ়ৈসকলে কাঠেৰে বিভিন্ন শিল্প ৰচনা কৰি অহাৰ বিৱৰণ আমি মধ্যযুগৰ পৰাই লাভ কৰোঁ। বাঁহৰ দৰে ব্যাপকভাৱে নহ'লেও অসমীয়া লোকসমাজত কাঠেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি ব্যৱহাৰ কৰা হয়। যাতায়তৰ আঁহিলা হিচাপে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ নাও, গাড়ী, ঠগী, শৰাই, তাঁতশালৰ বিভিন্ন সামগ্ৰী, ধপাঁত খোৱা হোকাৰ নলিচা, ভাওনাত ব্যৱহাৰ কৰা বিভিন্ন মুখা, কাঠৰ চৰিয়া, বাটি, থাল, হেতা, খোল-ঢোলৰ খোলা, চালপীৰা, হাতনী পেৰা, ঢেঁকী, খুৰলি, নাঙল, যুঁৰলি, খুন্দনা আদিৰ দৰে নিত্য ব্যৱহাৰ্য সামগ্ৰীও কাঠেৰে নিৰ্মাণ কৰা হয়। এইবোৰ সামগ্ৰীত বিভিন্ন ফুলৰ জালি, চৰাই আদি কাটি উলিওৱা কথাটিয়ে বাঢ়ৈসকলৰ কলাত্মক মনৰ পৰিচয় দাঙি ধৰে। ইয়াৰ উপৰি বিভিন্ন বাদ্যযন্ত্ৰৰ মূল খোলাতো কাঠেৰে নিৰ্মাণ কৰা হয়। উদাহৰণস্বৰূপে অসমত ব্যৱহৃত বিভিন্ন ধৰণৰ ঢোল, খোল, দোতাৰা, দবা, নেগেৰা, মাদল, দগৰ, ডম্বৰু, দুন্দুভি আদি। ঠিক সেইদৰে বিভিন্ন জনগোষ্ঠীৰ মাজত থকা ডেকাচাংসমূহৰ চৌকাঠ, খুটা আদিত কাঠ ব্যৱহাৰ কৰি তাত বিভিন্ন চিত্ৰ আৰু ৰঙেৰে সুশোভিত কৰা হয়। এয়াও অসমীয়া সমাজত প্ৰচলিত বিভিন্ন

মূৰ্তি (দৰা-কইনা)ৰ পুতলা নিৰ্মাণ কৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, সময়ৰ চাহিদাত সম্প্ৰতি কুঁহিলা শিল্পীসকলে মজু, গ'দা, নানান দেৱ-দেৱী-অসুৰৰ মুখা, বিচনী, সোপা, খেলৰ সামগ্ৰী আদিও নিৰ্মাণ কৰিবলৈও লৈছে। ম'হৰ শিঙেৰে পেঁপা, কাকৈ, ফণি নিৰ্মাণ কৰা হয়। উল্লেখযোগ্য যে বৰ্তমান সময়ত হাতী দাঁত, গড়ৰ খড়্গ আৰু পহুৰ শিঙেৰে কোনো ধৰণৰ সামগ্ৰী নিৰ্মাণ কৰা নহয়। অৱশ্যে এইকেইপদ বনজাত সামগ্ৰীৰে ভক্তিধৰ্মৰ লগত সংগতি থকা কোনো সামগ্ৰী নিৰ্মাণ কৰাৰ পৰম্পৰা দেখা পোৱা নাযায় যদিও আউনীআটী সত্ৰত সংৰক্ষিত হাতী দাঁতৰ পাটি, দবাখেলৰ গুটি আৰু দবাৰ বৰ্ডখন অসমৰ এই কুটিৰ শিল্পবিধৰ উৎকৃষ্টতম চানেকী। সেইখিনি তেখেতসকলক ৰজাঘৰৰ পৰা উপহাৰ হিচাপে প্ৰদান কৰা হৈছিল। এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে বিবিধ বনজাত সামগ্ৰীয়ে অসমীয়া কাৰু কলাৰ ক্ষেত্ৰখন ভৰাই ৰাখিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কাৰু কলা বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ কাঠেৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহক মূলতঃ কি কি ভাগত ভাগ কৰিব পাৰি?

.....

- **বয়ন শিল্প ঃ** অসম দেশ বয়ন শিল্পৰ বাবে অতীজৰে পৰা বিখ্যাত। অসমীয়া শিপিনীয়ে 'তাঁতশালত সপোন ৰচে' বুলি কোৱা হয়। 'ছাঁতে শুকুৰা, মুঠিতে লুকুৰা' অসমীয়া পাটৰ কাপোৰ জগত বিখ্যাত। মধ্যযুগৰে পৰাই অসমৰ এড়ি, মুগা আৰু পাট বস্ত্ৰই বিদেশৰ বজাৰত এক সুকীয়া স্থান অধিকাৰ কৰিছিল। ৰং-বিৰঙৰ আঁচু-সূতা, গুণাৰে বনকৰা তথা মিনাকৰা ফুলৰ চানেকীৰ বাবে অসমীয়া শিপিনী বিখ্যাত। অসমীয়া নাৰীয়ে এৰাতিতে কপাহ নেওঠি, পাঁজি বাটি, সূতা কাটি, কবচ কাপোৰ বৈ স্বামীক ৰণলৈ পঠিওৱাৰ কথাও বুৰঞ্জীত পোৱা যায়। অসমীয়া শিপিনীয়ে গামোচা, চাদৰ বা মেখেলাত এশ, ডেৰশ, তিনিশ কাঠীৰ ফুল চানেকি বাছে। বিভিন্ন ধৰণৰ চৰাই (মইনা, শেন আদি), গছা, বন্তি, শৰাই, কলগছ, হাতী, ঘোঁৰা, বাঘ, সিংহ, জোন, বেলি, তৰা, আঠ, চাৰি বা ছপহীয়া ফুল তাঁতত দক্ষতাৰে ফুটাই তোলে। এইবোৰৰ উপৰি বৰ কাপোৰ, গুণাকটা চেলেং, বিহা, মেখেলা-চাদৰ, চোলা-চুৰীয়া আদি নিত্য ব্যৱহাৰ্য কাপোৰ ঘৰতে বৈ লয়। আনকি সদায় ব্যৱহাৰ কৰা গামোচাখনতো ফুল বাচি লয়। জনগোষ্ঠীয় শিপিনীয়ে কঁকালী তাঁতত ৰেখা, ত্ৰিভুজ, জ্যামিতিক চিত্ৰও ফুটাই তোলে। প্ৰসংগক্ৰমে উল্লেখ কৰি যোৱা হ'ল যে অসমীয়া শিপিনীয়ে বস্ত্ৰৰ চানেকিত দুই ধৰণৰ ৰং প্ৰয়োগ কৰে। সাধাৰণতে সাদৃশ্যসমূল ৰঙৰ প্ৰয়োগ কৰে যদিও কেতিয়াবা কেতিয়াবা বেছিকৈ উজলাই তুলিবলৈ বা ৰঙীন বস্ত্ৰ এখনত চানেকীক অধিক প্ৰস্ফুটিত

পুৰণি অসমীয়া সংস্কৃতিৰ জেউতি বঢ়োৱা আন এক আপুৰুগীয়া সম্পদ হৈছে চিত্ৰকলা। অসমৰ বয়ন শিল্পইও এই চিত্ৰকলা পৰম্পৰাত বিশেষ আসন অধিকাৰ কৰিছিল। আমি সকলোৱে জানোঁ যে, অসমত বৈষ্ণৱ যুগত পুথিচিত্ৰই বিশেষভাৱে গা লৈ উঠিছিল। এই পুথিচিত্ৰসমূহ মূলতঃ সাঁচিপাতত অংকন কৰা হৈছিল যদিও দুই এখন গ্ৰন্থ তুলাপাত আৰু মুগা কাপোৰতো অংকন কৰা হৈছিল। মুগা কাপোৰত অংকিত দুখন পুথি হৈছে — শিৱসাগৰত পোৱা *নামঘোষা* আৰু *আহোম-জ্যোতিষ*। এই দুখন পুথিয়েই প্ৰমাণ কৰে যে বয়ন শিল্পও পুথিচিত্ৰ অংকনৰ বাবে ব্যৱহাৰ কৰা হৈছিল। হয়তো তাৰে অধিকাংশ পুথিৰ চানেকি এতিয়া বিচাৰি পাবলৈ নাই। ইয়াৰ প্ৰধান কাৰণ হিচাপে অসমত সঘনাই হৈ থকা প্ৰাকৃতিক দুৰ্যোগ আৰু সংৰক্ষণৰ অভাৱৰ কথা উল্লেখ কৰিব পাৰি। *নামঘোষা*খন মুগা কপোৰত অংকন কৰা কথাটোৰ বাবেই ভক্তিধৰ্ম প্ৰচাৰক আন পুথিও যে মুগা কাপোৰত অংকন কৰা হৈছিল, সেই সম্ভাৱনা নুই কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া শিপিনীয়ে বোৱা প্ৰথম যুটি গামোচাৰ, প্ৰথমখন গামোচা কাক প্ৰদান কৰা হয় বা কলৈ আগ কৰে?

.....

- **মৃৎ শিল্প ঃ** যিবোৰ সামগ্ৰী মাটি ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হয় তাকে মৃন্ময় সামগ্ৰী বুলি কোৱা হয়। ইয়াৰ লগত জড়িত শিল্পই হ'ল মৃৎশিল্প। অসমত প্ৰাগ্-ঐতিহাসিক কালৰেপৰা মৃৎশিল্পৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। উত্তৰ কাছাৰৰ 'দাওজালি হাডিং', তেজপুৰৰ 'দ-পৰ্বতীয়া', নগাঁওৰ 'মহাদেওশাল', মৰিগাঁওৰ 'মায়ং', গোৱালপাৰাৰ 'সূর্য পাহাৰৰ অঞ্চল', গুৱাহাটী মহানগৰ আদিত আৱিষ্কৃত পুৰণি বিভিন্ন চানেকীয়ে অসমীয়া মৃৎ শিল্পৰ নিদৰ্শন দাঙি ধৰে। সপ্তম শতিকাৰ ৰজা ভাস্কৰবৰ্মাৰ নিধনপুৰ তামৰ ফলিত 'কুম্ভকাৰবৰ্গ' শব্দটোৰ প্ৰয়োগ হোৱালৈ চাই সেই সময়ছোৱাত মৃৎ শিল্পৰ ব্যৱহাৰ ব্যাপক আছিল বুলি অনুমান কৰিব পাৰি।

  পূৰ্বতে মানুহে মাটিৰ সঁজুলিয়েই ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল যদিও পৰৱৰ্তীসময়ত বিভিন্ন ধাতুৰ আৱিষ্কাৰে সেই ধাতুসমূহ ব্যৱহাৰ কৰি নিত্য প্ৰয়োজনীয় সামগ্ৰী প্ৰস্তুত কৰিবলৈ ল'লে। অৱশ্যে সৰ্বসাধাৰণ ৰাইজে ব্যয়বহুল ধাতুৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে মৃৎ শিল্পজাত সামগ্ৰীয়েই এতিয়াও ব্যৱহাৰ কৰে। প্ৰসংগত স্মৰণযোগ্য যে আহোম ৰজাসকলে মধ্যযুগত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অসমলৈ বিভিন্ন বৃত্তিয়াল কাৰুশিল্পীক আনি অসমৰ বিভিন্ন ঠাইত মাটি-ভেটি দি স্থাপন কৰে। সেইসময়তে বিভিন্ন মৃৎশিল্পীও অসমলৈ আহে। তেওঁলোকে চৰু-কলহ আদি নিত্য ব্যৱহাৰ্য বস্তুগত সামগ্ৰী গঢ়াৰ উপৰি মঠ-মন্দিৰৰ বাবে ফুল, মূৰ্তিৰ ফলি, নাদৰ পাট আদিও গঢ়িছিল বুলি বিভিন্ন বুৰঞ্জীয়ে সাক্ষ্য বহন কৰে। পৰৱৰ্তীসময়ত অসমত কেঁচামাটিৰে দেৱ-দেৱীৰ মূৰ্তি গঢ়া একশ্ৰেণী মৃশিল্পও গঢ় লৈ উঠে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমত বাসকৰা লোকসকলৰ ভিতৰত কোনে মৃৎ শিল্পক তেওঁলোকৰ বৃত্তি হিচাপে গ্ৰহণ কৰে?

.....

- **ধাতু শিল্প ঃ** যি বিলাক সামগ্ৰী বিভিন্ন ধাতু ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হয় সেইবোৰকে ধাতুজাত সামগ্ৰী বুলি কোৱা হয় আৰু ইয়াৰ লগত সম্পৰ্কীত শিল্পটোৱেই ধাতু শিল্প। মূলতঃ কাঁহ, পিতল, তাম, সোণ, ৰূপ আৰু লোৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহ এই বিভাগৰ অন্তৰ্গত। কাঁহ এবিধ সংকৰ ধাতু; তাম আৰু ৰাঙৰ মিশ্ৰণত এই ধাতুবিধ প্ৰস্তুত কৰা হয়। চৰ্যাপদ, প্ৰাক্-শংকৰী যুগৰ সাহিত্য, *কালিকাপুৰাণ* আদিত কাঁহেৰে নিৰ্মাণ কৰা বিভিন্ন বাদ্যযন্ত্ৰৰ উল্লেখৰ পৰা ধাৰণা কৰিব পাৰি যে অসমত ইয়াৰ প্ৰচলনৰ ইতিহাস অতি প্ৰাচীন। অসমৰ কঁহাৰসকলে দৈনন্দিন ব্যৱহাৰ্য গৃহস্থালী সঁজুলী, যেনে— বিভিন্ন ধৰণৰ কাঁহী (বৰকাঁহী, কাঁহী, বানকাঁহী, বেৰাকাঁহী, মাইহাং, সৰুকাঁহী আদি), বিভিন্ন ধৰণৰ বাটি (বানবাটি, বৰবাটি, বাটি, জোলবাটি আদি), ঠগী, শৰাই, সঁফুৰা, খৰাহি, লোটা, ঘটী, কলহ, গাগৰি, ভোগজৰা, পূজা-পাৰ্বন আদিত ব্যৱহাৰ কৰা বিভিন্ন সঁজুলী — কাঁহ, অৰ্ঘ, গছা, থাল, কোষা, দুণৰি, কৰচলি আদি; চূনৰ টেমি, তামোলৰ টেমা, বঁটা, সেন্দুৰৰ টেমা, হাত খুন্দনা আদি নিৰ্মাণ কৰে। ইয়াৰ লগতে বিভিন্ন ধৰণৰ ঘনবাদ্য — বৰকাঁহ, কাঁহ, ঘণ্টা, বিভিন্ন প্ৰকাৰৰ তাল, নূপুৰ, কিংকিনী আদিও কাঁহেৰে নিৰ্মাণ কৰা হয়। এসময়ত তিতাবৰ কাঁহ শিল্পৰ বাবে বিখ্যাত আছিল যদিও বৰ্তমান তাৰ ঐতিহ্য লুপ্তপ্ৰায় বুলিয়েই ক'ব পাৰি। সম্প্ৰতি অসমৰ সৰ্থেবাৰী অঞ্চলহে কাঁহ শিল্পৰ বাবে বিখ্যাত।

ঠিক সেইদৰে পিতলৰ পৰাও বিভিন্ন নিত্য ব্যৱহাৰ্য সামগ্ৰী নিৰ্মাণ কৰা হয়। পিতলো এবিধ সংকৰ ধাতু— তাম আৰু দাস্তা মিহলাই এইবিধ ধাতু প্ৰস্তুত কৰা হয়। চৰ্যাপদসমূহত উল্লেখ থকা পিতলৰ ঘন বাদ্য — নেপূৰ, কাহাল আদিৰ পৰাই সেই সময়তে অসমত ইয়াৰ প্ৰচলন আছিল বুলি ধাৰণা কৰিব পাৰি। অসমৰ পিতলৰ শিল্পীসকলে — টৌ, বৰচৰিয়া, চৰিয়া, গাগৰি, কলহ, লোটা, কঁৰিয়া, খৰাহি, শৰাই, সফুঁৰা, বঁটা, ভোগজৰা, দোণ, চাকি, গছা, হেতা, কাঢ়নী, তাৰু, বেলা, দুণৰি, কলচি, আকাশবন্তি আদিৰ লগতে তুৰী, কালি আদি বাদ্যযন্ত্ৰও নিৰ্মাণ কৰিছিল। লোকশিল্পীসকলে আপোনমনৰ মাধুৰিৰে এইবোৰত বিভিন্ন ধৰণৰ লতা কাটি বা ফুল তুলি তেওঁলোকৰ শৈল্পীক মনৰ পৰিচয় দিছিল। অৱশ্যে সম্প্ৰতি অসমৰ এই শিল্পবিধ প্ৰায় মৃত্যুমুখি। অৱশ্যে তাৰ মাজতো হাজো অঞ্চলৰ শিল্পীসকলে পিতলেৰে বিবিধ সামগ্ৰী নিৰ্মাণ কৰি কাৰু কলাৰ এই উপাদানটোৰ অস্তিত্ব জীয়াই ৰাখিছে।

অসমীয়া মানুহে সোণ-ৰূপ মূলতঃ অলংকাৰ হিচাপে ব্যৱহাৰ কৰে যদিও ধনী ব্যক্তিসকলে পূৰ্বতে ইয়াৰে নিৰ্মিত দৈনন্দিন ব্যৱহাৰ্য বস্তুগত সামগ্ৰী, যেনে— ঠাল, বাটি,

পৰম্পৰাগত পদ্ধতিৰে কেঁচা লো সংগ্ৰহ কৰি সেয়া লোশালত পগাই কৈ, নাহৰ আদি টান কাঠৰ এঙাৰৰ গুৰি মিহলাই নিয়াৰিত কোবাই তীখা প্ৰস্তুত কৰিছিল। এইবোৰৰ পৰাই বিভিন্ন ধৰণৰ হিলৈ, তৰোৱাল আদি প্ৰস্তুত কৰিছিল।

শংকৰদেৱে আৰম্ভ কৰা ভক্তিধৰ্ম প্ৰচাৰৰ লগত সংগতি ৰাখি সৃষ্টি হোৱা ধাতুজাত শিল্পৰ ভিতৰত পাতি তাল, ভোৰতাল, বৰকাঁহ, খুটি তাল, মন্দিৰা আদি ঘন বাদ্য; কালি শীৰ্ষক সুষিৰ বাদ্য কাঁহ-পিতলৰ দ্বাৰা নিৰ্মাণ কৰা হয়। এই বাদ্যযন্ত্ৰসমূহ ভাওনাত ব্যৱহাৰ কৰাৰ কথা চৰিতপুথিসমূহত উল্লেখ আছে। ঠিক সেইদৰে সত্ৰ-নামঘৰত ব্যৱহাৰ কৰিবৰ বাবে অসমৰ কঁহাৰসকলে পিতলৰ ডাঙৰ শৰাই, ডাঙৰ ডাঙৰ বঁটা আদি নিৰ্মাণ কৰি দিছিল। সোণ-ৰূপৰ মূল্য বেছি হোৱাৰ বাবেই হয়তো শংকৰ গুৰুজনাই এই দুইপদ সামগ্ৰীৰে ভক্তিধৰ্মৰ লগত সংগতি থকা সামগ্ৰীসমূহ নিৰ্মাণ কৰিবলৈ দিয়া নাছিল বা কোনো শিল্প সৃষ্টি কৰাৰ প্ৰমাণ পোৱা নাযায়। ঠিক সেইদৰে লোহা শিল্পৰ বিকাশতো ভক্তি ধৰ্মই প্ৰভাৱিত কৰাৰ প্ৰমাণ পোৱা নাযায় যদিও *কীৰ্তনত* লো-শালত ব্যৱহাৰ হোৱা সামগ্ৰীৰ উল্লেখ পোৱা গৈছে— "হৰিপদ তুলসীৰ নলৈলোঁহো ঘ্ৰাণ, সম্যকে জানিলোঁ নাসা ভাটিৰ সমান।"

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া পৰম্পৰাগত কাৰু কলাৰ ধাতুজাত শিল্পসমূহো অসমীয়া ভক্তিধৰ্মৰ লগত এক সুদৃঢ় বন্ধনেৰে বান্ধ খাই আছে। এই আলোচনাত আৰু এটা কথা স্পষ্টৰূপে প্ৰতিভাত হৈছে যে শংকৰদেৱে এনেবোৰ কাৰু কলাহে তেওঁৰ ভক্তিধৰ্মৰ লগত সংযুক্ত কৰিছিল— যিবোৰৰ বাবে প্ৰয়োজনীয় কেঁচামাল সহজলভ্য আৰু সৰ্বসাধাৰণ ৰাইজৰ বাবে ব্যয়বহুল নহয়। তাৰ মাজেদিয়েই তেওঁ অসমীয়া পৰম্পৰাগত কাৰু কলাকো ভক্তিধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ আহিলা হিচাপে গঢ়ি তোলাৰ লগতে অসমীয়া সৰ্ব-সাধাৰণ ৰাইজক তেখেতসকলৰ জীৱন আৰু জীৱিকাৰ বাবে নতুন কুটিৰ শিল্পজাত সামগ্ৰী নিৰ্মাণৰ বাট মুকলি কৰি দিয়ে। এই দিশৰ পৰা শংকৰদেৱ আছিল অসমীয়া গ্ৰাম্য অৰ্থনীতি নিৰ্মাণৰ এজন হোতা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ কোনজনা আহোম স্বৰ্গদেওৱে পোনপ্ৰথমবাৰৰ বাবে অসমত কমাৰ-খেল পাতি ধাতুজাত শিল্পৰ লগত জড়িত লোকসকলক পৰিচিতি প্ৰদান কৰিছিল?

.....

১২.৩.১ সাম্প্ৰতিক সময়ত তাৰ স্থিতি আৰু প্ৰত্যাহ্বান

ওপৰৰ শাখাটোত আপুনি অসমৰ কাৰু কলা সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় এটি ধাৰণা লাভ কৰিলে যে পৰম্পৰাগতভাৱে

উলিওৱা এনে বস্ত্ৰৰ যি সম্পূৰ্ণ নিৰ্মিত সেয়া মেছিনত কৰা নিৰ্মিতৰ লগত তুলনা নহয় তথা খৰচো যথেষ্ট বেছি। ফলস্বৰূপে কমদামী এনে বস্ত্ৰৰ প্ৰতি অসমীয়া ৰাইজে বেছি আগ্ৰহ প্ৰকাশ কৰিবলৈ লৈছে। নতুন নতুন ধৰণৰ ডিজাইনাৰে প্ৰস্তুত কৰা চানেকি আজি অসমীয়া ৰাইজে বেছি গুৰুত্ব প্ৰদান কৰে। আনহাতে পূৰ্বতে অসমৰ হাবিত পোৱা চোম, সোঁৱালু, মেজাংকৰী, এড়ি, কেচেৰু আদি গছবোৰ কমি অহাতো এয়া কমি গৈছে। মুগা পোহা কৰ্মটো যথেষ্ট সময়খৰচী আৰু কঠিন। আজিৰ অসমীয়া ডেকাই তেনে কামত নিজকে নিয়োজিত কৰিব নিবিচাৰে। বজাৰত সহজলভ্য যি কোনো ধৰণৰ ৰঙৰ ব্যৱহাৰ কৰাৰ ফলত পৰম্পৰাগত ৰং প্ৰস্তুত কৰা পৰম্পৰাটোও প্ৰায় নাইকিয়া হৈ গৈছে।

আজিকালি বজাৰত পোৱা চীনা মাটি, প্লাষ্টিক, ষ্টিল আদিৰ বিভিন্ন সামগ্ৰীৰ বাবে পূৰ্বতে যিবোৰ সামগ্ৰী মাটিৰে নিৰ্মাণ কৰি ব্যৱহাৰ কৰিছিল সেয়া কমি গৈছে। অৱশ্যে এই প্ৰক্ৰিয়া ধাতুৰ আৱিষ্কাৰৰ পাচৰ পৰাই আৰম্ভ হৈছিল। আজিকালি মাটিৰে সজা বিভিন্ন ধৰণৰ চাকি, সৰুমলা, বৰমলা, চৰু, টেকেলি, কলহ, গিলাচ, ভুৰুকা, গছা, আকাশবন্তি, মুহি, কেৰি, ঘৰ, চিলিম, মালেই, মাদলি, ধূপদানি, ধূনা বাটি, গাগৰি, দুণৰি, খোলা, বিভিন্ন মাটিৰ পুতলা ইত্যাদিৰ পৰিৱৰ্তে দেখিবলৈ ধুনীয়া, কাৰুকাৰ্যখচিত ষ্টিল, প্লাষ্টিক আদিৰ এনে সামগ্ৰী সহজলভ্য। অৱশ্যে এতিয়াও অসমৰ দুই এখন ঠাইৰ লগতে ধুবুৰীৰ আছৰিকান্দিৰ শিল্পীসকলে তৈয়াৰ কৰা পোৱামাটিৰ ভাস্কৰ্য ঘৰত সজাই ৰাখিবৰ বাবে ব্যৱহাৰ কৰে।

ঠিক সেইদৰে পৰম্পৰাগত অসমীয়া ধাতু শিল্পৰ দিশতো প্ৰত্যাহ্বান আহিছে। আজিকালি মানুহে কাঁহ, পিতল, তামেৰে নিৰ্মিত ঠাল-বাতিৰ পৰিৱৰ্তে চীনামাটিৰ বা তেনেধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলত ইয়াৰ ব্যৱহাৰ কমি গৈছে। কেঁচামালৰ অভাৱেও এই শিল্পটো বৰ্তি থকাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। অৱশ্যে ধনীসকলে এতিয়াও ঘৰত সজাই থবৰ বাবে কাঁহ, পিতল, তামেৰে নিৰ্মিত ঠগী, শৰাই, সঁফুৰা, খৰাহি, লোটা, ঘটী, কলহ, গাগৰি, ভোগজৰা আদি ক্ৰয় কৰে। কিন্তু সেয়াও সংখ্যাত বহু কম।

পূৰ্বতে অসমীয়া সমাজত ব্যৱহৃত বিভিন্ন স্বৰ্ণাভৰণসমূহৰ প্ৰচলন প্ৰায় নাইকিয়াই হৈছে। বিয়া-বাৰু বা তেনেধৰণৰ উৎসৱ-পাৰ্বনত সম্প্ৰতি অসমীয়া নাৰীয়ে এনে স্বৰ্ণাভৰণ ব্যৱহাৰ কৰে। তাৰ পৰিৱৰ্তে বজাৰত পোৱা কম খৰচী বিভিন্ন সামগ্ৰীৰে নিৰ্মাণ কৰা এনে ভৰণ তেওঁলোকে ব্যৱহাৰ কৰে। লগতে আজিকালি বাহিৰৰ পৰা অহা চানেকিসমূহেও পৰম্পৰাগত এনে চানেকিসমূহ নাইকিয়া কৰিছে। অৱশ্যে, সোনৰ দামো বহু বৃদ্ধি পোৱাত এনে অৱস্থাৰ সৃষ্টি হৈছে। অসমৰ পৰম্পৰাগত লোহা শিল্পৰ ক্ষেত্ৰটো প্ৰত্যাহ্বান আহিছে। পূৰ্বতে পৰম্পৰাগতভাৱে তৈয়াৰী এনে সামগ্ৰীসমূহ আজিকালি মেছিনত তৈয়াৰ কৰি বিক্ৰী কৰা হয়। ফলস্বৰূপে পৰম্পৰাগত সামগ্ৰীৰ ব্যৱহাৰ একেবাৰেই কমি গৈছে। গাঁও অঞ্চলত দুই-এজন কমাৰ দেখা যায় যদিও



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

1) গগৈ, জোনমণি (2013); 'অসমৰ পৰম্পৰাগত কুটিৰশিল্প আৰু ভক্তিধৰ্ম'; নেওগ, মিলন (সম্পাঃ)ৰ *ডেকাগিৰী-দ্বাদশ সংখ্যা* (পৃ. 49–53); নগাঁও ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

2) গগৈ, লীলা [1994] Ê, *অসমৰ সংস্কৃতি*, ডিব্ৰুগড় ঃ বনলতা।

3) গোস্বামী, নাৰায়ণ চন্দ্ৰ (1984); *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা;* মাজুলী ঃ কমলাবাৰী সত্ৰ।

4) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (2005); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

5) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (2006); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

6) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

7) দেৱগোস্বামী, কেশৱানন্দ (1986); *সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা;* ডিব্ৰুগড় ঃ বনলতা।

8) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) [1989] Ê, *অসমীয়া সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

9) বৰদলৈ, নিৰ্মলপ্ৰভা (1971); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

10) বৰুৱা, বিৰিঞ্চি কুমাৰ (1985); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

11) মহন্ত, প্ৰদীপজ্যোতি (2007); *শংকৰদেৱৰ শিল্পলোক;* গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

12) শৰ্মা, নবীন চন্দ্ৰ (1998); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

13) হাজৰিকা, বিশ্বেশ্বৰ (2003); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ

14) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

15) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

16) Dutta, B. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

17) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

(খ) ভাওনাৰ মুখা প্ৰধানতঃ কেই প্ৰকাৰে তৈয়াৰ কৰা হয়?

(গ) *নৃসিংহ যাত্ৰা* ভাওনাত নৰসিংহই হিৰণ্যকশিপুৰ পেট ফলা দৃশ্যটোত নাড়ী-ভূৰু ৰূপে কি ব্যৱহাৰ কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে?

(ঘ) অসমীয়া সমাজত ব্যৱহৃত ছয় প্ৰকাৰৰ স্বৰ্ণাভৰণৰ নাম লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোকসমাজৰ লগত কাৰু কলাৰ সম্পৰ্ক কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

ক) অসমৰ বাঁহ-বেতৰ শিল্প খ) অসমৰ বস্ত্ৰ শিল্প

গ) অসমৰ মৃৎ শিল্প ঘ) অসমৰ সোণ-ৰূপৰ শিল্প

ঙ) অসমৰ কাঁহ-পিতলৰ শিল্প চ) অসমৰ লো-শিল্প

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ "আনন্দদানৰ প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই কলা আৰু জীৱনৰ বাস্তৱিক প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই শিল্প।" — কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

প্ৰশ্ন ২ ঃ ভক্তিধৰ্ম প্ৰচাৰৰ লগত সংগতি ৰাখি অসমৰ কাৰু কলাৰ ক্ষেত্ৰখনত কেনেধৰণৰ নব্য সৃষ্টি সাধন হৈছিল সেই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া পৰম্পৰাগত কাৰু কলা সম্পৰ্কে এটি আচল যুগুত কৰক।

প্ৰশ্ন ৪ ঃ অসমৰ পৰম্পৰাগত কাৰু কলাৰ সাম্প্ৰতিক স্থিতি সম্পৰ্কে আলোচনা কৰি কি কি দিশে এই ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে সেই বিষয়ে আলোচনা কৰক।

*** ***** ***